Civil Services (Main) Examination, 2026

KVMS–D–ASM

অসমীয়া

প্ৰশ্নকাকত—II

(সাহিত্য)

নির্ধাৰিত সময় : 3 ঘণ্টা

সর্বাধিক নম্বৰ : 250

প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নির্দেশনা

প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নির্দেশনাখিনি ভালদৰে পঢ়ি লোৱাঁ

প্ৰশ্নকাকতখনত দুটা শাখাত **আঠটা** প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰাঁ।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী **তিনিটাৰ** কাৰণে প্ৰত্যেকটো শাখাৰ পৰা কমেও **এটাকৈ** বাচি লৈ উত্তৰ কৰাঁ।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ **অসমীয়াত** (অসমীয়া লিপি) কৰাঁ।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰাঁ।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰাঁ। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰৰো মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰাঁ।

ASSAMESE

PAPER—II

(LITERATURE)

Time Allowed : Three Hours

Maximum Marks : 250

QUESTION PAPER SPECIFIC INSTRUCTIONS

Please read each of the following instructions carefully before attempting questions

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

Optional Province · optionalprovince.com

SECTION—A

1. তলত দিয়া প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) 'অযোধ্যা কাণ্ড'ৰ জৰিয়তে মাধৱ কন্দলিৰ কাব্যিক প্ৰতিভা বিচাৰ কৰাঁ।

(b) 'পাৰিজাত হৰণ' নাটত সত্যভামা চৰিত্ৰটোৰ মাজেৰে কি কি দিশৰ উন্মেষণ ঘটিছে, আলোচনা কৰাঁ।

(c) শ্ৰীমন্ত শংকৰদেৱে কিয় 'ইটো ৰাসক্ৰীড়া কেলি নামে কামজয়' বুলি উল্লেখ কৰিছে, বিশ্লেষণ কৰাঁ।

(d) মাধৱদেৱৰ ৰগীতৰ আধাৰত চিৰন্তন মাতৃৰ স্ৱৰূপ নিৰ্ণয় কৰাঁ।

(e) 'গুৰু-চৰিত'ৰ আধাৰত তদানীন্তন সমাজৰ এটি ৰূপৰেখা দাঙি ধৰাঁ।

2. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'পাৰিজাত হৰণ' নাটত কি কি ৰসৰ সমাৱেশ ঘটিছে, বহলাই আলোচনা কৰাঁ। 20

(b) ''ভট্টদেৱৰ গদ্যৰ ভাষা গুৰুগম্ভীৰ সাধু ভাষা।'' উক্তিষাৰৰ যথাৰ্থতা ব্যাখ্যা কৰাঁ। 15

(c) মাধৱদেৱৰ 'ৰাজসূয়' কাব্যৰ বিষয়বস্তুৰ সম্যক আভাস দাঙি ধৰাঁ। 15

3. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) চৰিত-সাহিত্য বুলিলে কি বুজা? চৰিত-সাহিত্যৰ বৈশিষ্ট্যসমূহ 'গুৰু-চৰিত'ত কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰাঁ। 20

(b) ''শিশু-চৰিত্ৰৰ কল্পনা নৈপুণ্যত ৰগীতৰোৰে কবিতা হিচাপে জগতৰ কাব্য-সাহিত্যত অতি ওখ ঠাঁই লাভ কৰিব পাৰে।'' মাধৱদেৱৰ ৰগীতৰ প্ৰসংগত কথাষাৰ ব্যাখ্যা কৰাঁ। 15

(c) 'অযোধ্যা কাণ্ড'ৰ আধাৰত চিত্ৰকূট বনৰ নৈসৰ্গিক চিত্ৰ অংকনত মাধৱ কন্দলিয়ে কিদৰে মৌলিকতা দেখুৱাইছে সেই বিষয়ে এটি নিবন্ধ লিখাঁ। 15

4. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ অনুপম কাহিনীয়ে ভক্তিমাৰ্গৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে।'' কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰাঁ। 20

(b) মাধৱদেৱৰ 'ৰাজসূয়' কাব্যৰ আধাৰত জৰাসন্ধ আৰু শিশুপাল চৰিত্ৰ বিশ্লেষণ কৰাঁ। 15

(c) 'কথা-ভাগৱত'ৰ আধাৰত অসমীয়া গদ্য-সাহিত্যত ভট্টদেৱৰ স্থান নিৰূপণ কৰাঁ। 15

Optional Province · optionalprovince.com

SECTION—B

5. তলত দিয়া প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) 'মোৰ জীৱন সোঁৱৰণ'ৰ আধাৰত বেজবৰুৱাৰ জন্মস্থান আৰু জন্ম তাৰিখ সম্বন্ধে আলোচনা কৰাঁ।

(b) 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' শীৰ্ষক সংকলনটোৰ মূল বিশেষত্ব কি কি সেই বিষয়ে এটি বিশ্লেষণাত্মক ব্যাখ্যা আগবঢ়োৱাঁ।

(c) বৰপেটাৰ দৌল উৎসৱৰ পৰম্পৰাগত ৰীতি-নীতি 'মনোমতী' উপন্যাসৰ মাজেৰে কিদৰে প্ৰকাশ পাইছে সেই বিষয়ে এটি টোকা লিখাঁ।

(d) 'মৃত্যুঞ্জয়' উপন্যাসৰ ধনপুৰ চৰিত্ৰটিৰ এটি বিশ্লেষণাত্মক আলোচনা যুগুতোৱাঁ।

(e) সংঘাতময় জীৱনৰ উপলব্ধি 'জীৱনৰ বাটত' উপন্যাসৰ তগৰ চৰিত্ৰটোৰ যোগেদি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

6. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) '' 'কাৰেঙৰ লিগিৰী'ত জ্যোতিপ্ৰসাদৰ বৈপ্লৱিক চিন্তা-চৰ্চাৰ স্পষ্ট আভাস পোৱা যায়।'' কথাষাৰৰ সত্যাসত্য নিৰূপণ কৰাঁ। 20

(b) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' নামৰ উপন্যাসখনত ৰাজনৈতিক চিন্তা-চেতনাৰ কেনেদৰে প্ৰতিফলন ঘটিছে, উদাহৰণসহ বিশ্লেষণ কৰাঁ। 15

(c) '' 'প্ৰতিমা'ৰ প্ৰায় সকলোবোৰ কবিতাৰ মাজেদি এক মানৱীয়বাদৰ স্পষ্ট ধ্বনি শুনা যায়।'' উক্তিষাৰৰ যথাৰ্থতা ব্যাখ্যা কৰাঁ। 15

7. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) পুৰণি সাহিত্য কি কি দিশত সীমাবদ্ধ বুলি বাণীকান্ত কাকতিয়ে উনুকিয়াইছে, তোমাৰ ভাষাত লিখাঁ। 20

(b) প্ৰহসন বুলিলে কি বুজা ? প্ৰহসনৰ বৈশিষ্ট্যসমূহ 'গাঁওবুঢ়া' নাটকৰ আধাৰত বিচাৰ কৰাঁ। 15

(c) সমালোচকসকলে 'জীৱনৰ বাটত' উপন্যাসক ''অসমীয়া জাতীয় জীৱনৰ তাৎপৰ্যপূৰ্ণ এটা শতাব্দীৰ ইতিহাস'' আখ্যা দিয়াৰ অন্তৰালত নিহিত কাৰণসমূহ ফঁহিয়াই দেখুওৱাঁ। 15

8. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''নৱকান্ত বৰুৱাৰ কবিতাত ইতিহাস চেতনা, সমকাল চেতনা, মৃত্যুচেতনা, নিঃসংগতাবোধ আদি বিষয়সমূহেও প্ৰাধান্য লাভ কৰিছে।'' কথাষাৰ 'সম্ৰাট' কবিতাৰ প্ৰসংগত কিমানদূৰ প্ৰযোজ্য, যুক্তিসহ তোমাৰ মন্তব্য আগবঢ়োৱাঁ। 20

(b) 'মনোমতী' উপন্যাসত সাধাৰণ পুৰুষ-মহিলাৰ স্বদেশ-স্বজাতিৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা-প্ৰীতিৰ কিদৰে পৰিস্ফুৰণ ঘটিছে, আলোচনা কৰাঁ। 15

(c) অসমীয়া সমাজ-জীৱন আৰু মানুহৰ বিভিন্ন দিশৰ নিৰ্মোহ সমালোচনা 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ৰ জৰিয়তে কিদৰে প্ৰকাশ পাইছে, বিচাৰ কৰাঁ। 15

★ ★ ★

Optional Province · optionalprovince.com